জনসংযোগ, অসম
মুখ্যমন্ত্রীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৫৭০/২০২০

# বিশিষ্ট কণ্ঠশিল্পী অৰ্চনা মহন্তৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

## প্ৰয়াত শিল্পীগৰাকীৰ শেষকৃত্য ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন কৰাৰ বাবে মুখ্যমন্ত্ৰীৰ নিৰ্দেশ

**দিছপুৰ, ২৭ আগষ্ট ঃ** প্ৰথিতযশা কণ্ঠশিল্পী অৰ্চনা মহন্তৰ পৰলোকপ্ৰাপ্তিত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে।

আজি এক শোকবাৰ্তাৰ জৰিয়তে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে জীৱনকালত একান্ত নিষ্ঠা আৰু ঐকান্তিকতাৰে প্ৰয়াত অৰ্চনা মহন্তই আমাৰ সাংস্কৃতিক জগতলৈ যি বলিষ্ঠ অৰিহণা আগবঢ়াই গ'ল সেয়া ৰাজ্যখনৰ সংস্কৃতিৱান জনসাধাৰণে শ্ৰদ্ধাৰে স্মৰণ কৰিব। বহুতো কালজয়ী, হৃদয়স্পৰ্শী, অসমৰ মাটিৰ গোন্ধেৰে জীপাল গীতত কণ্ঠদান কৰি অৰ্চনা মহন্তই জনসাধাৰণৰ মাজত এক সুকীয়া শিল্পী সত্ত্বাৰ পৰিচয় দাঙি ধৰিছিল। তদুপৰি অসমৰ লোকসংগীতক এক অনন্য মাত্ৰা প্ৰদানৰ দিশতো প্ৰয়াত অৰ্চনা মহন্তই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি গৈছে। ৰাজ্যখনৰ সাংস্কৃতিক জগতৰ এক উজ্জ্বল নক্ষত্ৰ হিচাপে পৰিচিত এইগৰাকী বিশিষ্ট কণ্ঠশিল্পীৰ বিয়োগ ৰাজ্যখনৰ সাংস্কৃতিক তথা সমাজ জীৱনৰ বাবে এক অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

মুখ্যমন্ত্ৰীয়ে প্ৰয়াত অৰ্চনা মহন্তৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

আনহাতে, মুখ্যমন্ত্ৰীয়ে প্ৰয়াত অৰ্চনা মহন্তৰ শেষকৃত্য ৰাজ্যিক মৰ্যাদাৰে সম্পন্ন কৰাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ মুখ্য সচিবক ইতিমধ্যে নিৰ্দেশ দিছে।

মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টা হৃষীকেশ গোস্বামীয়েও বিশিষ্ট শিল্পী, সুকণ্ঠী গায়িকা অৰ্চনা মহন্তৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে। এই গৰাকী সুকণ্ঠী গায়িকাৰ বিয়োগ ৰাজ্যখনৰ সাংস্কৃতিক ক্ষেত্ৰখনৰ বাবে অপূৰণীয় ক্ষতি বুলিও মুখ্যমন্ত্ৰীৰ মিডিয়া উপদেষ্টাগৰাকীয়ে কয়। তেওঁ প্ৰয়াত অৰ্চনা মহন্তৰ বিদেহ আত্মাৰ চিৰশান্তিৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনোৱাৰ উপৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**পুঃডেঃ / প্ৰঃকুঃবঃ**
**২৭/০৮/২০২০**